# ৰূপালীম

**ভূমিকা ঃ** 'ৰূপালীম' জ্যোতিপ্ৰসাদ আগৰৱালাৰ তৃতীয়খন নাটক। ১৯৩৬ চনত তেওঁ এই নাটখনি লিখে। ১৯৩৭ চনত নাটখনি তেজপুৰৰ বাণ ৰংগমঞ্চত অভিনীত হয়। ১৯৬০ চনত নাটখন ছপা হয়। 'ৰূপালীম' নাটখনি সাতোটা অংকত বিভক্ত। নাটখনিৰ অংকৰ মাজত দৃশ্য বিভাজন নাই। ৰূকমী জনজাতিৰ এক কাল্পনিক কাহিনীৰ পটভূমিত নাটখনি ৰচনা কৰা হৈছে।

**কাহিনী ঃ** ৰূপালীম আৰু মায়াব ৰূকমী জনজাতিৰ এহাল ডেকা-গাভৰু। ইজনে সিজনক ভাল পায়। কিন্তু ৰূপালীমৰ বাপেক জুনাফাই যিকোনো ডেকালৈ জীয়ৰী ৰূপালীমক বিয়া দিব নোখোজে। জুনাফাৰ মতে ৰূপালীমক বিয়া কৰাব খোজাজনে এটা বাঘ মাৰি আনি সাহসৰ পৰিচয় দিব লাগিব। ৰূপালীমৰ বাপেকৰ চৰ্ত পূৰণ কৰিবলৈ মায়াবে এদিন এটা বাঘ মাৰি বাঘৰ মূৰটো আনি জুনাফাৰ চাংঘৰৰ আগ চোতালত থ'লে। এনেতে প্ৰান্তদেশৰ অধিপতি মণিমুগ্ধৰ সেনাপতি ৰেনথিয়াম আহি জুনাফাৰ চোতালত উপস্থিত হৈ বাঘৰ মূৰটো তেওঁহে কাটিছে বুলি দাবী কৰে। ফলত মায়াব আৰু ৰেনথিয়ামৰ মাজত খণ্ডযুদ্ধ লাগে। তেনেতে মণিমুগ্ধই তেওঁৰ সৈন্যসকলক মায়াব আৰু জুনাফাৰ ওপৰত জঁপিয়াই পৰি আক্ৰমণৰ নিৰ্দেশ দিয়ে। মণিমুগ্ধৰ সৈন্যৰ আক্ৰমণত জুনাফা আৰু মায়াব আহত হয়। মায়াব মূৰ্ছা যায়। জুনাফাই দা ঘূৰাবলৈ ধৰে। পিছত মণিমুগ্ধৰ সৈন্যই জুনাফাক বেৰি ধৰে। মায়াব আৰু পিতৃ জুনাফাৰ অৱস্থা দেখি ৰূপালীমে কান্দিবলৈ ধৰে। ৰূপালীমৰ ৰূপ দেখি মণিমুগ্ধ অভিভূত হয়। যিকোনো উপায়েৰে ৰূপালীমক পাবলৈ বাসনা জাগে।

মণিমুগ্ধই ৰূপালীমক পাবলৈ প্ৰয়োজন হ'লে তাইৰ শৰীৰৰ জোখৰ সমান সোণ জুনাফাক দিব বিচাৰে। জুনাফাই কিন্তু মণিমুগ্ধৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। শেষত মণিমুগ্ধই বলপূৰ্বক ৰূপালীমক লৈ নিজ ৰাজ্যলৈ গুচি যায়। জুনাফা আৰু মায়াবে মণিমুগ্ধৰ বিৰুদ্ধে ৰূকমী ৰজাৰ ওচৰত গোচৰ দিয়ে। কিন্তু ৰজাই মণিমুগ্ধৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ অস্বীকাৰ কৰে। ইফালে মণিমুগ্ধ আছিল ৰজাৰ ভাবী জোঁৱাই। সেয়ে তেওঁ মণিমুগ্ধৰ বিপক্ষে ৰজাই যাব খোজা নাছিল। কিন্তু মণিমুগ্ধৰ বাগ্‌দত্তা তথা ৰজাৰ ভনীয়েক ইতিভেনে এই কথা সহ্য কৰিব পৰা নাছিল। ইতিভেনে ৰজাক সিংহাসনৰ পৰা নমাই নিজে ৰূকমী সৈন্য লৈ মণিমুগ্ধৰ ৰাজহাউলিত আক্ৰমণ কৰে। ইতিভেনে মণিমুগ্ধৰ ৰাজহাউলি বেৰি ধৰাৰ সময়ত মণিমুগ্ধই হাতত ফটিকা লৈ ৰূপালীমৰ ৰূপত মুগ্ধ হৈ আছিল। ইতিভেনে মণিমুগ্ধৰ ৰাজহাউলি আক্ৰমণৰ সুযোগ লৈ ৰূপালীমে মায়াবৰ সৈতে পলায়ন কৰে। ইপিনে ইতিভেন আৰু তেওঁৰ সৈন্যক মণিমুগ্ধৰ সৈন্যই ৰাজপ্ৰাসাদত আবদ্ধ কৰি ৰাখে। পলায়ন কৰা ৰূপালীমক পুনৰ ধৰি আনি মণিমুগ্ধৰ হাতত সোধাই দিয়ে। মণিমুগ্ধই ৰূপালীমৰ সৌন্দৰ্য উপভোগ কৰিবলৈ উত্ৰাৱল হৈ পৰে। কিন্তু ৰূপালীমে মায়াবৰ বাহিৰে কাৰো ওচৰত স্বেচ্ছাই দেহ অৰ্পণ নকৰাৰ ইংগিত দিয়ে। তেতিয়া মণিমুগ্ধই মায়াব, জুনাফা, ইতিভেন আৰু ৰূকমী ৰাজ্যৰ আন বন্দীসকলক বধ কৰিবলৈ নিৰ্দেশ দিয়ে। ভয়ত ৰূপালীমে তেনে নকৰিবলৈ মণিমুগ্ধক মিনতি কৰে। মণিমুগ্ধই তেতিয়া তেওঁৰ ওচৰত ৰূপালীমে দেহ অৰ্পণ কৰিলেহে তেওঁলোকক মুক্তি দিব বুলি কয়। ৰূপালীমে চৰ্ত মানি লোৱাত ৰূকমী বন্দীসকলক এৰি দিয়ে।

নিশা লিগিৰীসকলে ৰূপালীমক মণিমুগ্ধৰ কোঠাত এৰি থৈ যায়। মণিমুগ্ধই ৰূপালীমক থৰ লাগি চায়। ৰূপালীমে ভয়ত কঁপিবলৈ ধৰে। মুণিমুগ্ধই হাতখন আগবঢ়াই ৰূপালীমৰ বুকুৰ কাপোৰখন উদঙাবলৈ গৈ পুনৰ হাতখন কোঁচাই আনে। মণিমুগ্ধই থুতৰিত হাত থৈ বহুসময় ভাবি থাকে। এনেতে ৰাতি পুৱায়। ৰূপালীমৰ ওচৰত ক্ষমা বিচাৰি মণিমুগ্ধই ৰূপালীমক ঘৰলৈ যাবলৈ দিয়ে। ৰূপালীম আহি ৰূকমী ৰাজ্যত উপস্থিত হয়। ৰাজ্যৰ সকলোৰে ৰূপালীমক মণিমুগ্ধৰ দ্বাৰা ধৰ্ষিতা হোৱা বুলি বিশ্বাস কৰে। সকলোৰে ৰূপালীমক অসতী আখ্যা দিলে। ৰূকমী ৰাজ্যত ৰূপালীম সকলোৰে ঘৃণাৰ

পাত্ৰ হৈ পৰিল। ইতিমধ্যে মণিমুগ্ধৰ বাগদত্তা ইতিভেনে ৰূপালীমৰ প্ৰতি ঈৰ্ষাপৰায়ণ হৈ আছিল। ৰূপালীমৰ দুৰাৱস্থা দেখি ইতিভেনে ৰূপালীমৰ ওপৰত প্ৰতিশোধ লোৱাৰ সুযোগ লয়। ইতিভেনে ৰূপালীমক ৰূকমী জাতিৰ কলংক বুলি ৰূকমী সমাজক পতিয়ন নিয়াই ৰূপালীমক চিতাত তুলি জীয়াই জীয়াই পুৰি মাৰিবলৈ ব্যৱস্থা কৰে। ৰূপালীমক চিতাৰ ওপৰত ৰছীৰে মেৰিয়াই বান্ধি ৰখা হ'ল। ইতিভেনৰ ইংগিতত কাঁড়ীয়ে ৰূপালীমৰ দেহলৈ কাঁড় নিক্ষেপ কৰে। ৰূপালীম চিতাৰ ওপৰত ঢলি পৰি মৃত্যুবৰণ কৰে। এয়ে নাটখনিৰ চমু কাহিনী।

**চৰিত্ৰ চিত্ৰণ ঃ** জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটখনিত মুঠ আঠোটা চৰিত্ৰ অংকিত হৈছে। ইয়াৰে ছটা পুৰুষ আৰু দুটা নাৰী চৰিত্ৰ। পুৰুষ চৰিত্ৰকেইটা হ'ল— মণিমুগ্ধ, মায়াব, জুনফা, ৰনথিয়াম, ৰূকমী ৰজা আৰু ৰিমু। নাৰী চৰিত্ৰ দুটা হ'ল— ৰূপালীম আৰু ইতিভেন। তলত নাটখনৰ প্ৰধান চৰিত্ৰকেইটাৰ বিষয়ে আলোচনা কৰা হ'ল।

**মণিমুগ্ধ ঃ** 'ৰূপালীম' নাটৰ এটি জটিল চৰিত্ৰ। মণিমুগ্ধৰ চৰিত্ৰত স্বেচ্ছাচাৰিতা, সৌন্দৰ্যলিপ্সা, কাম পৰায়ণতা আদি দেখা যায়। মণিমুগ্ধক এজন কামুক, নাৰীদেহৰ প্ৰতি আকৰ্ষণ থকা ব্যক্তি যেন লাগিলেও কিছুমান সমালোচকৰ মতে আচলতে তেওঁ এজন সুন্দৰৰ পূজাৰীহে। আনহাতে ৰূপালীমৰ দৈহিক সৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত হৈ তাইক ৰাজকাৰেঙলৈ মণিমুগ্ধই লৈ যায়। তেওঁৰ উদ্দেশ্য ৰূপালীমক কুঁৱৰী পতা নহয়, উপভোগ কৰাহে। এয়া মণিমুগ্ধৰ চৰিত্ৰৰ কাপুৰুষালি। আনহাতে ৰেনথিয়ামৰ দ্বাৰা জুনাফা আৰু মায়াবক শাস্তি দিয়া কাৰ্যই মণিমুগ্ধক দাম্ভিক কৰি তুলিছে। কিন্তু নিজৰ শয়ন কোঠাত অকলে পায়ো মণিমুগ্ধই বলপূৰ্বকভাৱে ৰূপালীমৰ সতীত্ব হৰণ নকৰালৈ চাই মণিমুগ্ধৰ চৰিত্ৰ উত্তৰণ মণিমুগ্ধ এক মহৎ চৰিত্ৰত পৰিণত হৈছে। আনহাতে ৰূপালীমৰ ৰূপৰ সুধা পান কৰিবলৈ উত্ৰাৱল মণিমুগ্ধই ইতিভেনকো ভাল পায়। এনে ক্ষেত্ৰত তেওঁৰ চৰিত্ৰৰ দ্বৈত ৰূপ প্ৰকাশ হৈছে।

**ৰূপালীম ঃ** 'ৰূপালীম' নাটকৰ নাম ভূমিকাত থকা ৰূপালীম নায়িকা। এওঁ এগৰাকী ৰূকমী গাভৰু। জুনাফাৰ জীয়ৰী। তাই ৰূকমী ডেকা মায়াবক ভাল পায়। কিন্তু বাপেকে এটা বাঘ মাৰি মূৰটো কাটি আনিব পৰাজনলৈহে

ৰূপালীমক বিয়া দিব বুলি জানি ৰূপালীমে মায়াবৰ লগত বাঘ চিকাৰলৈ যাব খোজে। ইয়াৰ পৰাই ৰূপালীমে মায়াবক কিমান ভাল পায়, তাৰ উমান পোৱা যায়। মণিমুগ্ধই মায়াব, জুনাফাকে ধৰি ৰূকমী নাগৰিক এচামক বন্দী কৰি ৰাখি শেষত হত্যা কৰিবলৈ নিৰ্দেশ দিয়ে। ৰূপালীমে তেনে নকৰিবলৈ মণিমুগ্ধক মিনতি কৰে। কিন্তু মণিমুগ্ধই এওঁলোকৰ মুক্তিৰ বিনিময়ত চৰ্ত আৰোপ কৰিলে ৰূপালীমৰ দেহদান। উপায়ান্তৰ হৈ ৰূপালীমে এই চৰ্তত সন্মতি দিয়ে। কিন্তু সতীত্বই হৈছে নাৰীত্ব। কিন্তু ৰূপালীমৰ সৰলতা আৰু ত্যাগৰ মহত্ত্বই মণিমুগ্ধৰ পাশৱিক বাসনাক পৰাভূত কৰিলে। ৰূপালীমে সতীত্ব নষ্ট কৰিবলগীয়া নহ'ল। কিন্তু ৰূকমী সমাজৰ ওচৰত ৰূপালীমে হাৰ মানিবলগীয়া হ'ল। মণিমুগ্ধৰ ওচৰৰ পৰা সতীত্ব হৰণ নোহোৱাকৈ ৰূপালীম উভতি অহা কথাটো কোনোৱে বিশ্বাস নকৰিলে। ইতিভেনৰ ঈৰ্ষাৰ বলি হৈ ৰূপালীমে প্ৰাণ এৰিবলগীয়া হ'ল। চমুকৈ ক'বলৈ হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰেই ৰূপ-যৌৱনেই ৰূপালীমৰো কাল হ'ল। ৰূপালীমৰ চৰিত্ৰটোৱে নাটখনৰ পাঠক তথা দৰ্শকৰ মন আকৰ্ষণ কৰিছে।

**ইতিভেন ঃ** 'ৰূপালীম' নাটকৰ এটি উল্লেখযোগ্য নাৰী চৰিত্ৰ। এওঁ ৰূকমী ৰাজ্যৰ ৰজাৰ ভনীয়েক। তেওঁ পুৰুষৰ দৰে সাহসী। চৰিত্ৰটোৱে নাটৰ আৰম্ভণিতে স্বদেশপ্ৰেমী আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে। মণিমুগ্ধই ৰূকমী ৰাজ্যৰ নাগৰিকক অত্যাচৰ কৰা কাৰ্যৰ বিৰুদ্ধে ৰজাই ব্যৱস্থা ল'ব নোখোজাত ইতিভেন অসন্তুষ্ট হয়। ককায়েকৰ কাপুৰুষালি নিন্দা কৰি নিজেই মণিমুগ্ধক আক্ৰমণ কৰিবলৈ আগবাঢ়ি গৈছে। মণিমুগ্ধই কৰা কাৰ্যৰ প্ৰতিবাদ জনাই ইতিভেনে মণিমুগ্ধৰ লগত বিয়াত নবহিবলৈ সিদ্ধান্ত লৈছে। এনেদৰে নাট্যকাৰে ইতিভেনৰ চৰিত্ৰটোক এটা আদৰ্শ চৰিত্ৰ হিচাপে চিহ্নিত কৰিবলৈ যত্ন কৰিছে। কিন্তু নাটখনিৰ চতুৰ্থ অংকৰ পৰাই চৰিত্ৰটোৰ নৈতিক স্খলন হ'বলৈ ধৰে। ইতিভেনে ক্ৰমাৎ ৰূপালীমৰ প্ৰতি ঈৰ্ষান্বিত হৈ পৰে। মণিমুগ্ধই তেওঁৰ (ইতিভেনৰ) পৰিৱৰ্তে ৰূপালীমৰ সৌন্দৰ্যত মুগ্ধ হোৱাটো ইতিভেনে সহ্য কৰিব পৰা নাছিল। ইতিভেনে ৰূপালীমক চিতাত জীয়াই জীয়াই পুৰি মাৰি নিজৰ প্ৰতিশোধ পূৰণ কৰিলে। গতিকে নাটখনৰ শেষৰ পিনে ইতিভেনক এগৰাকী ঈৰ্ষা পৰায়ণ নাৰী হিচাপে চিহ্নিত কৰিছে।